NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-07-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

০০০০০০০০০

১। চৰকাৰে সংসদৰ বাজেট অধিবেশনৰ পূৰ্বে দেওবাৰে এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে।

২। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই দেশৰ বিশ্ব ঔষধালয়ৰ অভিধাৰ অনুৰূপ বিশ্ব মানৰ ঔষধ নিয়ামক পৰিকাঠামো গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰিছে।

৩। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই দেশৰ যুৱ প্ৰজন্ম ভৱিষ্যতৰ নীতি প্ৰণেতা বুলি অভিহিত  কৰিছে।

৪। সমগ্ৰ দেশতে আজি ধৰ্মীয় ৰীতি-নীতিৰে মহৰম পালন কৰা হৈছে।

***আৰু***

৫। কেন্দ্ৰীয় চৰকাৰে পেৰিছ অলিম্পিকত অংশগ্ৰহণ কৰিবলগীয়া ভাৰতৰ চূড়ান্ত দলটোত অনুমোদন জনাইছে।

০০০০০০০০০

চৰকাৰে সংসদৰ বাজেট অধিবেশনৰ পূৰ্বে দেওবাৰে এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত চৰকাৰে সংসদৰ উভয় সদনৰ কাম-কাজ সুচাৰুৰূপে আগবঢ়াই নিয়াৰ বাবে সকলো ধৰণৰ সহযোগিতা কামনা কৰিব। বাজেট অধিবেশন ২২ জুলাইৰ পৰা ১২ আগষ্টলৈ অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় বাজেট ২৩ জুলাইত সদনত দাখিল কৰা হ'ব। এয়া হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথমখন বাজেট। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে যোৱা মাহত সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকক সম্বোধন কৰি এইবাৰৰ বাজেট চৰকাৰৰ সুদূৰপ্ৰসাৰী নীতি আৰু ভৱিষ্যৎ পৰিকল্পনাৰ নথি হ'ব বুলি প্ৰকাশ কৰিছিল।

০০০০০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই দেশৰ বিশ্ব ঔষধালয়ৰ অভিধাৰ অনুৰূপ বিশ্ব মানৰ ঔষধ নিয়ামক পৰিকাঠামো গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰিছে। তেওঁ লগতে উৎপাদিত সামগ্ৰীৰ উচ্চ মান সুনিশ্চিত কৰাৰ বাবে ঔষধ আৰু চিকিৎসা সঁজুলি উদ্যোগৰ সৈতে অবিৰত আলোচনাৰ ওপৰতো গুৰুত্ব

আৰোপ কৰে। ঔষধ, প্ৰসাধন সামগ্ৰী আৰু চিকিৎসা সঁজুলিৰ নিয়ামক ব্যৱস্থা সম্পৰ্কীয় এখন পৰ্য্যালোচনা বৈঠকত ভাগ লৈ শ্ৰীনাড্ডাই আজি এইদৰে প্ৰকাশ কৰে। ঔষধৰ উৎপাদক আৰু ৰপ্তানিকাৰী হিচাপে গোলকীয় পৰ্য্যায়ত দেশৰ অগণী স্থিতিৰ ওপৰত আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, ঔষধৰ কেন্দ্ৰীয় মান নিয়ন্ত্ৰণ সংস্থাই গোলকীয় মানৰ লক্ষ্যত উপনীত হোৱাৰ বাবে সময় নিৰ্ধাৰিত পৰিকল্পনা যুগুতাই উলিয়াইছে। তেওঁ কয় যে, ৰপ্তানি কৰা ঔষধৰ মান বৰ্তাই ৰখাৰ বাবে যাৱতীয় প্ৰণালী গঢ়ি তোলা উচিত।

অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ বিভিন্ন সমস্যা সন্দৰ্ভত মত প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে বিষয়া আৰু খণ্ডটোৰ সৈতে জড়িত বিভিন্ন পক্ষক নিজৰ নিজৰ সমস্যা অনুধাৱন কৰি নিজৰ শক্তি আৰু উৎপাদিত সামগ্ৰীৰ মান সুদৃঢ় কৰিবলৈ আহ্বান জনায়।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ কাৰ্য্যকালৰ প্ৰথম বছৰৰ ৭৫ টা গুৰুত্বপূৰ্ণ ভাষণৰ সংকলন **উইংছ টু আৱাৰ হোপ্‌ছ** গ্ৰন্থৰ প্ৰথম খণ্ড কাইলৈ নতুন দিল্লীত উন্মোচন কৰা হ'ব। কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ উপস্থিতিত এই ই-বুকখন মুকলি কৰিব। কেন্দ্ৰীয় প্ৰকাশন বিভাগে এই গ্ৰন্থখন প্ৰকাশ কৰিছে। গ্ৰন্থখন হিন্দী আৰু ইংৰাজী ভাষাত মুকলি কৰা হ'ব।

০০০০০০০০০

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই কৈছে যে, দেশৰ যুৱ প্ৰজন্ম ভৱিষ্যতৰ নীতি প্ৰণেতা। তেওঁ কয় যে, চৰকাৰ বিভিন্ন আঁচনি আৰু কাৰ্য্যসূচীৰ জৰিয়তে যুৱ প্ৰজন্মক সৱল কৰি তুলিবলৈ বদ্ধপৰিকৰ। মন্ত্ৰীগৰাকীয়ে আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় যুৱ আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনি পুৰস্কাৰ বিজেতাসকলৰ সৈতে মত বিনিময় কৰি এইদৰে প্ৰকাশ কৰে। ড০ মন্দাভিয়াই  কথোপকথনৰ সময়ত এইবুলি আশা প্ৰকাশ কৰে যে, যুৱক-যুৱতীসকলৰ পৰিৱৰ্তনকামী শক্তিয়ে দেশক প্ৰগতি আৰু উদ্ভাৱনৰ দিশে লৈ যাব।

০০০০০০০০০

বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী জিতেন্দ্ৰ সিঙে সহজলভ্য আৰু ব্যয়সাধ্য স্বাস্থ্য সেৱাত শেহতীয়া প্ৰযুক্তিৰ ব্যৱহাৰৰ

ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে, প্ৰযুক্তিয়ে স্বাস্থ্যসেৱা খণ্ডত বৈপ্লৱিক পৰিৱৰ্তন আনিছে আৰু কৃত্ৰিম বুদ্ধিমত্তা তথা মেচিন শিক্ষণ সঁজুলি প্ৰয়োগে কাৰ্য্যক্ষমতা যথেষ্ট বৃদ্ধি কৰিব পাৰে আৰু স্বাস্থ্যসেৱা প্ৰদানত উন্নতি সাধন কৰিব পাৰে। নতুন দিল্লীত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, আমাৰ দেশ বিশ্বৰ শীৰ্ষ ৬ খন জৈৱ উৎপাদক দেশৰ ভিতৰত আছে আৰু এক ব্যয়সাধ্য স্বাস্থ্যসেৱা কেন্দ্ৰত পৰিণত হৈছে। তেওঁ কয় যে, চিকিৎসা পৰ্য্যটন আৰু স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত ভাৰত সকলোতকৈ অধিক দাবীদাৰ ৰাষ্ট্ৰত পৰিণত হৈছে। আয়ুষ্মান কাৰ্ড, ডিজিটেল স্বাস্থ্যসেৱা অভিযান, প্ৰধানমন্ত্ৰী জন ঔষধী আদিৰ নিচিনা আঁচনিসমূহৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, স্বাস্থ্যসেৱাৰ সমতাপূৰ্ণ সুবিধা নিশ্চিত কৰাৰ ক্ষেত্ৰত প্ৰযুক্তিৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। তেওঁ ব্যক্তিগত আৰু ৰাজহুৱা ক্ষেত্ৰত পৰস্পৰৰ সহযোগিতা বৃদ্ধি কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

০০০০০০০০০

সমগ্ৰ দেশতে আজি ধৰ্মীয় ৰীতি-নীতিৰে মহৰম পালন কৰা হৈছে। কাৰবালাত সত্য আৰু ন্যায়ৰ বাবে প্ৰাণ আহুতি দিয়া পয়গম্বৰ মহম্মদৰ নাতি হজৰত ইমাম হুছেইন আৰু তেওঁৰ সহযোগীসকলৰ স্মৃতিত এই পৰ্ব পালন কৰা হয়। এই উপলক্ষে সমগ্ৰ দেশতে তাজিয়া উলিওৱা হয়। কাৰবালাৰ শ্বহীদসকলৰ সৰ্বোচ্চ ত্যাগত আলোকপাত কৰি ধৰ্মীয় সভা আৰু মজলিছো আয়োজন কৰা হয়।

ooooooooo

বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰে তেওঁৰ মৰিছাছ ভ্ৰমণৰ অংশৰূপে আজি দেশখনৰ প্ৰাক্তন প্ৰধান মন্ত্ৰীদ্বয় ড০ নবীন ৰামগুলাম আৰু পল বাৰেংগাৰক সাক্ষাৎ কৰে। ড০ ৰামগুলামক সাক্ষাৎ কৰাৰ পাছত শ্ৰীজয়শংকৰে কয় যে, তেওঁলোকে দীৰ্ঘদিনীয়া দ্বিপাক্ষিক অংশীদাৰিত্ব আৰু ইয়াৰ ব্যাপক সম্ভাৱনীয়তাৰ বিষয়ে আলোচনা কৰে। শ্ৰীপলৰ সৈতে হোৱা আলোচনাৰ বিষয়ে বিদেশ মন্ত্ৰীগৰাকীয়ে কয় যে দুয়ো সম-সাময়িক গোলকীয় বিষয়সমূহৰ বিষয়ে আলোচনা কৰে।

ড০ জয়শংকৰে বিৰোধী দলপতি ড০ অৰবিন বুলেলকো সাক্ষাৎ কৰে। দুয়োগৰাকী নেতাই ভাৰত-মৰিছাছৰ সম্পৰ্ক আৰু ভাৰত মহাসাগৰ অঞ্চলৰ সমৃদ্ধি আৰু উন্নয়নৰ বিষয়ে আলোচনা কৰে। মন্ত্ৰীগৰাকীয়ে মৰিছাছৰ ছ'ছিয়েল ডেম'ক্ৰেটৰ নেতা জেভিয়াৰ লুক ডোভালকো সাক্ষাৎ কৰে।

ooooooooo

ক'লকাতা উচ্চ ন্যায়ালয়ে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীক ৰাজ্যপাল ড০ চি ভি আনন্দ বসুৰ বিৰুদ্ধে অপমানজনক মন্তব্য কৰাৰ পৰা বাৰণ কৰিছে। ৰাজ্যপালে মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে দাখিল কৰা মানহানিৰ গোচৰৰ শুনানী গ্ৰহণ কৰি ন্যায়াধীশ কৃষ্ণ ৰাওৰ এখন এজনীয়া বিচাৰপীঠে আজি এই অন্তৰ্বৰ্তী ৰায় প্ৰদান কৰে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে আদালতৰ আগত কয় যে, তেওঁৰ মন্তব্যত অপমানজনক কোনো কথা নাছিল। মুখ্যমন্ত্ৰীগৰাকীয়ে কৈছিল যে, মহিলাসকলে তেওঁক ৰাজভৱনলৈ যাবলগীয়া হ'লে অসুৰক্ষিত অনুভৱ কৰা বুলি কৈছিল।

ooooooooo

ওমানৰ উপকূলৱৰ্তী অঞ্চলত এখন তেল পৰিবাহী জাহাজ বুৰ যোৱাৰ ফলত ১৩ গৰাকী ভাৰতীয় আৰু ৩ গৰাকী শ্ৰীলংকাৰ নাগৰিককে ধৰি জাহাজখনত থকা মুঠ ১৬ গৰাকী নাৱিকৰ কেউগৰাকীয়েই সন্ধানহীন হৈ আছে। যোৱা ১৫ জুলাইত সংঘটিত এই দুৰ্ঘটনাটোৰ বিষয়ে দেশখনৰ কৰ্তৃপক্ষই কালি বাতৰি প্ৰকাশ কৰিছে। ওমানৰ সমুদ্ৰপথৰ সুৰক্ষা কেন্দ্ৰই প্ৰকাশ কৰা মতে **প্ৰেষ্টিজ ফেল্কন** নামৰ এই জাহাজখন ওমানৰ ঔদ্যোগিক বন্দৰ ডুক্মৰ কাষৰীয়া এলেকাত বুৰ যায়। এই বাতৰি যুগুতোৱাৰ পৰলৈ জাহাজখন অক্ষত অৱস্থাত আছে নে ইয়াৰ পৰা তেলৰ নিৰ্গমন হৈছে সেই বিষয়ে দেশখনৰ কৰ্তৃপক্ষই কোনো কথা প্ৰকাশ কৰা নাই।

উল্লেখযোগ্য যে ২০০৭ চনত নিৰ্মিত ১১৭ মিটাৰ দৈৰ্ঘ্যৰ এই তৈল্য সামগ্ৰী পৰিবাহী জাহাজখন য়েমেনৰ এডেন বন্দৰ অভিমুখে গৈ আছিল। তেল পৰিবাহী এনে সৰু জোখৰ জাহাজ সাধাৰণতে কম দূৰত্বৰ উপকূলীয় অঞ্চলৰ মাজতহে পৰিবহণ কৰোৱা হয়। ওমানৰ প্ৰশাসনে সামুদ্ৰিক কৰ্তৃপক্ষৰ সহযোগিতাৰে উদ্ধাৰ অভিযান চলাই আছে যদিও বৰ্তমানলৈ জাহাজখনৰ কোনো লোকক উদ্ধাৰ কৰাৰ বিষয়ে জানিব পৰা হোৱা নাই।

ooooooooo

কেন্দ্ৰীয় চৰকাৰে পেৰিছ অলিম্পিকত অংশগ্ৰহণ কৰিবলগীয়া ভাৰতৰ চূড়ান্ত দলটোত অনুমোদন জনাইছে। পেৰিছ অলিম্পিকত দেশৰ ১১৭ গৰাকী খেলুৱৈয়ে অংশ গ্ৰহণ কৰিব। ইয়াৰ উপৰি ভাৰতীয় দলত সহযোগী ষ্টাফৰ ১৪০ জন সদস্যক অন্তৰ্ভুক্ত কৰা হৈছে। পেৰিছ অলিম্পিক ২৬ জুলাইৰ পৰা ১১ আগষ্টলৈ অনুষ্ঠিত হ'ব।

ooooooooo

ভাৰতৰ সুমিত নাগলে কাইলৈ ছুইডিছ অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত বিশ্বৰ ৩৬ সংখ্যক স্থানৰ আৰ্জেণ্টিনাৰ মৰিয়ানো নৱোনেৰ সন্মুখীন হ'ব। নাগলে কালি প্ৰতিযোগিতাৰ এখন খেলত ছুইডেনৰ এলিয়াছ য়মেৰক ৬-৪, ৬-৩ পোনপটীয়া ছেটত পৰাভূত কৰে।

ooooooooo

ভাৰতীয় মহিলা ক্ৰিকেট দল এছিয়া কাপ টি-২০ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে শ্ৰীলংকাৰ কলম্বোত উপস্থিত হৈছে। এই প্ৰতিযোগিতা পৰহিলৈ ডাম্বুলাত আৰম্ভ হ'ব। হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটো প্ৰতিযোগিতাৰ প্ৰথম দিনা পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতক পাকিস্তান, সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰ ইউ এ ই আৰু নেপালৰ সৈতে প্ৰতিযোগিতাৰ গ্ৰুপ **এ**ত স্থান দিয়া হৈছে। আনহাতে, শ্ৰীলংকা, মালয়েছিয়া, থাইলেণ্ড আৰু বাংলাদেশক গ্ৰুপ **বি**ত অন্তৰ্ভুক্ত কৰা হৈছে। যোৱাবাৰৰ চেম্পিয়ন ভাৰতে এইবাৰো এছিয়া কাপৰ খিতাপ দখলৰ চেষ্টা চলাব। উল্লেখযোগ্য যে ভাৰত ২০১৮ চনৰ বাহিৰে প্ৰতিযোগিতাৰ আটাইকেইটা সংস্কৰণতে জয়ী হৈছে। আনহাতে ২০১৮ চনৰ ফাইনেলত ভাৰত বাংলাদেশৰ হাতত পৰাজিত হৈছিল।

ooooooooo

**সমাপ্ত**